# দি গৌহাটী কো-অপাৰেটিভ আৰবান বেংক লিমিটেড্

**বৈজনাথ ভৱন, কে.চি. ৰোড, ছাত্ৰীবাৰী**

**গুৱাহাটী-৭৮১০০১**

## জাননী

ইয়াৰ দ্বাৰা জনোৱা হ'ল যে গৌহাটী কো-অপাৰেটিভ আৰবান বেংক লিমিটেডৰ ৫৭তম বাৰ্ষিক সাধাৰণ সভাখন অহা ইং ১৯ ছেপ্টেম্বৰ, ২০২৬ চনৰ শনিবাৰে দিনৰ ১১:০০ বজাত নিম্নলিখিত বিষয়সমূহ আলোচনাৰ্থে **সনাতন ধৰ্ম সভা (হৰিসভা)** এছ.চি. গোস্বামী পথৰ পাণবজাৰস্থিত প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব।

উক্ত সভাত সকলো অংশীদাৰ সভ্যকে উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

যদি অনিবাৰ্য্য কাৰণবশতঃ সভাখন অনুষ্ঠিত নহয়, তেনেহ'লে সভাখন পুনৰ একে সময়, একে ঠাইত অহা ইং ২৬ ছেপ্টেম্বৰ, ২০২৬ শনিবাৰে অনুষ্ঠিত হ'ব।

## সভাৰ আলোচনাৰ বিষয়সমূহ

১। ২০২৫ চনৰ ইং ২০ ছেপ্টেম্বৰ তাৰিখে হৈ যোৱা ৫৬ তম বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু নিশ্চিতকৰণ।

২। ২০২৬ চনৰ ইং ৩১ মাৰ্চ তাৰিখৰ উদ্ধৃত পত্ৰ ০১-০৪-২০২৫ ৰ পৰা ৩১-০৩-২০২৬ তাৰিখলৈ হোৱা লাভ-লোকচানৰ হিচাপ আৰু সঞ্চালক মণ্ডলীৰ বাৰ্ষিক প্ৰতিবেদনৰ ওপৰত আলোচনা আৰু গ্ৰহণ।

৩। ২০২৬-২৭ চনৰ বৰ্ষটোৰ বাবে সম্ভাব্য বাজেট গ্ৰহণ আৰু অনুমোদন।

৪। পুনৰ বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত নোহোৱা পৰ্যন্ত দেনাৰ ঊৰ্দ্ধতম নিৰিখ নিৰ্দ্ধাৰণ।

৫। ২০২৬-২৭ চনৰ বৰ্ষটোৰ বাবে আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিযুক্তি আৰু পাৰিতোষিক নিৰ্দ্ধাৰণ।

৬। সভাপতিৰ অনুমোদন ক্ৰমে বেংক সম্পৰ্কীয় অন্যান্য বিষয়ৰ আলোচনা আৰু প্ৰস্তাৱ গ্ৰহণ।

৭। সভাপতিৰ অনুমোদনক্ৰমে সভা সামৰণি।

তাৰিখ ঃ ইং ১৮ আগষ্ট, ২০২৬
গুৱাহাটী।

সঞ্চালক মণ্ডলীৰ আদেশানুসাৰে
**বাসবী মহন্ত**
(পৰিচালন সঞ্চালক)